# স্পষ্টীকৰণ

যোৱা ইং ২৫-০৮-২০১৫ তাৰিখে "অসমীয়া খবৰ" কাকতত প্ৰকাশিত "ন' পাৰ্কিং স্থানত নীতি বহিৰ্ভূতভাৱে পাৰ্কিং, তীব্ৰ যান-জঁটত অতিষ্ঠ সৰ্বসাধাৰণ নাগৰিক" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হয় যে, গুৱাহাটীৰ যিকোনো ন' পাৰ্কিং স্থানত নীতি বহিৰ্ভূতভাৱে যান-বাহন ৰাখিলে মহানগৰ যান-বাহন শাখাৰ আৰক্ষীয়ে আইনমতে জৰিমনা লোৱাকে ধৰি অন্যান্য বিহিত পদক্ষেপ গ্ৰহণ কৰে আৰু এই ব্যৱস্থা অব্যাহত আছে। বাতৰিত প্ৰকাশিত হোৱাৰ দৰে ফটাশিলৰ ওচৰৰ আঠগাঁও কবৰস্থান তথা ফটাশিল বজাৰত নীতি বহিৰ্ভূতভাৱে যান-বাহন ৰখা সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (যান-বাহন শাখা)ক তদন্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হৈছে আৰু এই সন্দৰ্ভত এক প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। উক্ত প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি বিহিত ব্যৱস্থা লোৱা হ'ব।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ২৫-০৮-২০১৫ তাৰিখে “নিয়মীয়া বাৰ্তা” কাকতত প্ৰকাশিত “যুৱতীক দুৰ্ব্যৱহাৰ কৰি আৰক্ষীৰ সন্মুখতে ভক্তক প্ৰহাৰ” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হয় যে, উক্ত বাতৰি তথা অভিযোগ সন্দৰ্ভত কোনোধৰণৰ এজাহাৰ বশিষ্ঠ আৰক্ষীক প্ৰদান কৰা হোৱা নাই। অভিযোগ দাখিল কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লগতে, এই বাতৰি সন্দৰ্ভত তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ উপ-আৰক্ষী আয়ুক্ত (পূব)ক নিৰ্দেশ দিয়া হৈছে। প্ৰতিবেদন দাখিল কৰাৰ পাছত আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

25/8/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী